**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আই আই টি দিল্লীৰ শিক্ষাৰ্থীসকলক যিকোনো সিদ্ধান্ত গ্ৰহণ কৰা সময়ত দেশৰ স্বাৰ্থৰ প্ৰতি বিশেষভাৱে দৃষ্টি আৰোপ কৰিবলৈ আহ্বান জনায়।

২। অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত কাইলৈৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হ'ব।

৩। হিমাচল প্ৰদেশৰ চাম্বা জিলাত আজি নিচেই পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন ১১ জন লোক আহত হয়।

৪। জম্মু-কাশ্মীৰত পথৰ দুৰৱস্থা আৰু প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজি জম্মুৰ পৰা বালতাললৈ যোৱা পথেৰে অমৰনাথ যাত্ৰা বাতিল কৰা হৈছে। *আৰু*

৫। ভাৰতৰ অস্মিতা চলিহা কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাত মহিলাৰ ছিংগল্‌ছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান- আই আই টি দিল্লীৰ শিক্ষাৰ্থীসকলক যিকোনো সিদ্ধান্ত গ্ৰহণ কৰা সময়ত দেশৰ স্বাৰ্থৰ প্ৰতি বিশেষভাৱে দৃষ্টি আৰোপ কৰিবলৈ আৰু তেওঁলোকৰ কাম-কাজে কেনেদৰে দেশক উপকৃত কৰাৰ লগতে ইয়াৰ প্ৰযোজনসমূহ পূৰাব পাৰে সেই বিষয়ে নিজকে সুধিবলৈ আহ্বান জনায়। দিল্লীত অৱস্থিত আই আই টিৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত তেওঁ শিক্ষাৰ্থীসকলক এইদৰে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰতিটো প্ৰজন্মই তেওঁলোকৰ নিজৰ নিজৰ সময়ৰ কিছুমান নিৰ্দিষ্ট প্ৰত্যাহ্বানৰ মুখামুখি হয় আৰু নিজস্বভাৱে ৰাষ্ট্ৰীয় ক্ষেত্ৰত দায়িত্ববোধ পালন কৰে। তেওঁ লগতে কয় যে বৰ্তমান শিক্ষা সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীসকলে কৰা কাম-কাজে পৰৱৰ্তী ৩০-৩৫ বছৰ সময়ত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাৰ ক্ষেত্ৰত গুৰুত্বূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

বাইট-ছেমিকনডাক্টৰ

দেশত নতুন নতুন খণ্ডত যুৱচামৰ বাবে ন-ন সুযোগৰ সৃষ্টি হৈছে বুলি উল্লেখ কৰি এই সন্দৰ্ভত তেওঁ ছেমিকণ্ডাক্টৰ, মহাকাশ আৰু ড্ৰোণ আদিৰ বিষয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰত এনে সকলো খণ্ডতেই আত্মনিৰ্ভৰশীল হ'বৰ বাবে আগবাঢ়িছে। বিকশিত ভাৰতৰ শক্তিশালী ভেটি গঢ়াৰ ক্ষেত্ৰত এই আত্মনিৰ্ভৰশীলতাই বিশেষ ভূমিকা পালন কৰিব বুলিও তেওঁ লগতে মত পোষণ কৰে।

বাইট (ছেল্ফ ৰিলায়েন্স)

সামাজিক মাধ্যমৰ যুগত সম্প্ৰতি চিন্তা চৰ্চাসমূহ বিভিন্ন দিশত ধাৱমান হোৱাৰ কথা উল্লেখ কৰি তেওঁ শিক্ষাৰ্থীসকলক দৰমহাৰ পৰিমাণ, চাকৰি আৰু নিজ নিজ কামৰ ক্ষেত্ৰসমূহৰ বিষয়ত নিজকে আনৰ সৈতে তুলনা কৰাটোক পৰিহাৰ কৰিবলৈ আহ্বান জনায়। বৰঞ্চ পূৰ্বৱৰ্তী দিনটোৰ তুলনাত নিজকে অধিক সমৰ্থৱান কৰি তোলাৰ লগতে সেই লক্ষ্যৰে প্ৰতিদিনে কামত আগবঢ়া উচিত বুলি তেওঁ মত প্ৰকাশ কৰে।

আই আই টি দিল্লীৰ ৫৭ সংখ্যক সমাৱৰ্তন উপলক্ষে আয়োজিত এই অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশী, আই আই টি দিল্লীৰ বোৰ্ড অৱ গৱৰ্ণৰ্ছৰ অধ্যক্ষ হৰিশ ছালভে আৰু প্ৰতিষ্ঠানটোৰ সঞ্চালক অধ্যাপক ৰঙ্গন বেনাৰ্জীও উপস্থিত আছিল। এই অনুষ্ঠানতেই প্ৰধানমন্ত্ৰী মোদীয়ে **পৰম প্ৰজ্ঞা** শীৰ্ষক এটা উচ্চ পৰ্যায়ৰ কম্পিউটাৰ ব্যৱস্থা আনুষ্ঠানিকভাৱে মুকলি কৰে।

০০০০

অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত কাইলৈৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব। এই জৰীপ প্ৰক্ৰিয়াক অধিক সু-সংগঠিত আৰু নিখুঁট কৰাৰ বাবে ইতিমধ্যে চাৰিওখন জিলাৰ আয়ুক্ত, সমজিলা আয়ুক্তৰ লগতে চক্ৰ বিষয়াসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ম'বাইল এপ্লিকেছনৰ জৰিয়তে ক্ষয়-ক্ষতিৰ দ্ৰুত সমীক্ষা তথা দুৰ্যোগৰ মূল্যায়ন কৰা হ'ব। ক্ষয়-ক্ষতিৰ প্ৰতিটো তথ্য, ছবি আৰু সবিশেষ নিৰ্দিষ্ট ডিজিটেল এপৰ জৰিয়তে নথিভুক্ত কৰা হ'ব। ৩০ আগষ্টৰ ভিতৰত প্ৰাৰম্ভিক জৰীপ সম্পূৰ্ণ কৰাৰ পাছত ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ধাৰণ কৰা হ'ব আৰু ক্ষতিগ্ৰস্ত জনসাধাৰণৰ সৈতে পুনৰীক্ষণ কৰি তথ্যসমূহৰ সত্যতা নিশ্চিত কৰা হ'ব।

ইপিনে, ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৩ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬৪ খন গাঁৱৰ ১ লাখ ৫৫ হাজাৰ লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৭৪৮ দশমিক ৬ -৪ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। চৰাইদেউ জিলাত কালি এটা মৃতদেহ উদ্ধাৰৰ পাছত সম্প্ৰতি বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৮ হৈছেগৈ।

০০০০

হিমাচল প্ৰদেশৰ চাম্বা জিলাত আজি নিচেই পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন ১১ জন লোক আহত হয়। বৈৰাগড়ৰ পৰা চাম্বা অভিমুখী যাত্ৰীবাহী বাছ এখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। আহত ছুগৰাকীক চাম্বাৰ পণ্ডিত জৱাহৰলাল নেহৰু চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ প্ৰেৰণ কৰা হয়। চাম্বা জিলাৰ আৰক্ষী অধীক্ষক বিজয় চকলানিয়ে জনোৱা মতে ঘটনাৰ খবৰ পোৱা মাত্ৰকে আৰক্ষীৰ লোক দুৰ্ঘটনাস্থলীত উপস্থিত হয়। ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকসকলৰ আশু-আৰোগ্য কামনা কৰে।

০০০০

ভূপালত চলি থকা BRICS সাংস্কৃতিক সন্মিলনত অংশগ্ৰহণকাৰী বিদেশী প্ৰতিনিধিসকলে কালি ভূপাল মহানগৰৰ ঐতিহ্য আৰু প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে। প্ৰতিনিধি দলটোৱে গোহৰ মহল, ইকবাল ময়দান আৰু মতি মছজিদ দৰ্শন কৰে। তেওঁলোকে বন বিহাৰ ৰাষ্ট্ৰীয় উদ্যানো দৰ্শন কৰে। তেওঁলোকে উপাৰ হ্ৰদত চিকাৰাৰে নৌকাযাত্ৰা উপভোগ কৰে। দলটোৱে চকবজাৰ, নয়াবজাৰ আৰু ভূপালহাট পৰিদৰ্শন কৰে। এই বজাৰসমূহত প্ৰতিনিধিৰ দলটোৱে স্থানীয় হস্তশিল্প আৰু সংস্কৃতি প্ৰত্যক্ষ কৰে। ইৰান, চীন আদি দেশৰ পৰা অহা প্ৰতিনিধিসকলে ভূপালৰ জনসাধাৰণৰ আন্তৰিক আতিথ্যক প্ৰশংসা কৰে। ইৰানৰ প্ৰতিনিধিসকলে ভাৰত আৰু ইৰানৰ মাজত থকা প্ৰাচীন সাংস্কৃতিক সম্পৰ্কৰ বিষয়েও স্মৰণ কৰে। তেওঁলোকে কয়, যে ভাৰত আৰু ইৰানৰ মাজৰ ঐতিহ্য হিন্দী আৰু পাৰ্চী ভাষাত সুন্দৰকৈ প্ৰতিফলিত হৈছে। চীনৰ পৰা অহা এগৰাকী প্ৰতিনিধিয়ে ভূপালৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু জৈৱ বৈচিত্ৰ দৰ্শন এটা স্মৰণীয় অভিজ্ঞতা বুলি প্ৰকাশ কৰে। তেওঁ লগতে বন বিহাৰৰ চৰাই, সৰীসৃপ আৰু বন্যপ্ৰাণী বিষয়ক তথ্যসমূহৰো প্ৰশংসা কৰে।

এই বিদেশী প্ৰতিনিধিসকলে মধ্য প্ৰদেশৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্য বিশ্ববাসীৰ সন্মুখত তুলি ধৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। এই BRICS সন্মিলনে সদস্য ৰাষ্ট্ৰসমূহৰ সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাত সহায় কৰিছে। প্ৰতিনিধিসকলে ভূপাল ভ্ৰমণ এটা স্মৰণীয় অভিজ্ঞতা বুলি প্ৰকাশ কৰাৰ লগতে ভূপালৰ জনসাধাৰণৰ আন্তৰিক আতিথ্যৰ প্ৰশংসা কৰে।

০০০০

সীমা অতিক্ৰমী সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িতৰ অভিযোগত দুজন লোকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা NIA-ই অভিযোগনামা দাখিল কৰিছে। দুয়োজন অভিযুক্তই পঞ্জাৱ আৰু নতুন দিল্লীত পৰিকল্পিত আক্ৰমণত ব্যৱহাৰৰ বাবে সীমান্তৰ সিপাৰে আই ই ডি, আগ্নেয়াস্ত্ৰ আৰু হেৰ'ইন সৰবৰাহৰ সৈতে জড়িত আছিল বুলি অভিযোগ উত্থাপিত হৈছে। NIA-ৰ মহলিস্থিত বিশেষ আদালতত কালি দাখিল কৰা অভিযোগনামাত গ্ৰেপ্তাৰ হোৱা শুভম কুমাৰ আৰু পলাতক অৱস্থাত থকা যশবীৰ চৌধুৰীৰ নাম উল্লেখ আছে। যোৱা ফেব্ৰুৱাৰীত অমৃতসৰস্থিত ৰাজ্যিক বিশেষ অভিযান কোষে বিস্ফোৰক সামগ্ৰী, ৰিমট কণ্ট্ৰল, বিদেশত নিৰ্মিত কাৰ্টিজ তথা হেৰ'ইনসহ শুভম কুমাৰক গ্ৰেপ্তাৰ কৰাৰ পাছত NIA-ই পাঞ্জাৱ আৰক্ষীৰ পৰা নিজাববীয়াকৈ তদন্তৰ দায়িত্ব লয়। অভিযুক্তজনৰ বিৰুদ্ধে তদন্ত অব্যাহত আছে।

০০০০

জম্মু-কাশ্মীৰত জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি বিভিন্ন অংশত পথৰ দুৰৱস্থা আৰু প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজি জম্মুৰ পৰা বালতাললৈ যোৱা পথেৰে অমৰনাথ যাত্ৰা বাতিল কৰা হৈছে। অৱশ্যে বালতালৰ পৰা পৱিত্ৰ গুহা অভিমুখে যাত্ৰা অব্যাহত আছে। আজি পুৱাৰে পৰা এহেজাৰ ২০০ৰো অধিক তীৰ্থযাত্ৰীয়ে পৱিত্ৰ গুহা দৰ্শন কৰে।

০০০০

ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ সন্মুখত যোৱানিশা ৰাছিয়াৰ ক্ষেপনাস্ত্ৰ আক্ৰমণত এটি শিশুকে ধৰি কমেও তিনিজন লোকৰ মৃত্যু হয়। আঞ্চলিক সামৰিক প্ৰশাসনিক মুৰব্বীয়ে জনোৱা মতে আজি নিচেই পুৱা কিয়েভৰ পূব প্ৰান্তত চলোৱা এই আক্ৰমণত তিনিজন লোক গুৰুতৰভাৱে আহত হয়। ইপিনে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'লডিমিৰ জেলেনস্কী আজি তেওঁৰ প্ৰথমটো ভ্ৰমণসূচীৰে বেলগ্ৰেডৰ ৰাজধানী ছাৰ্বিয়াত উপস্থিত হয়। ৰাছিয়াৰ ক্ষেপনাস্ত্ৰ

আক্ৰমণ প্ৰতিহত কৰাৰ বাবে মজুত থকা ইণ্টাৰছেপ্তৰ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় সমৰ্থন বিচাৰিছে। ছাৰ্বিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভিউচিকে ৰাছিয়াক ক্ষেপনাস্ত্ৰৰ অনুমোদন অস্বীকাৰ কৰাৰ বিপৰীতে ইউক্ৰেইনলৈ সাহায্যৰ যোগান ধৰি থকাৰ লগতে যুদ্ধৰ পাছত পুনৰ নিৰ্মাণৰ বাবে সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে।

oooo

ভাৰতৰ অস্মিতা চলিহা দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাত মহিলাৰ ছিংগলছ্ৰ ফাইনেলত প্ৰৱেশ কৰিছে। অস্মিতাই আজি ছেমি ফাইনেলত ভাৰতৰে ৰক্ষিতা ৰামৰাজক ২১-১৩, ১৬-২১, ২১-১৩ গেমত পৰাস্ত কৰে। অস্মিতা কাইলৈ ফাইনেলত চীনৰ কিউ হানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। হানে ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ জি কীমক ২২-২০, ১৮-২১, ২১-১৪ গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

oooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউজিনত অনুষ্ঠিত বিশ্ব এথলেটিকছ্ ২০ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপৰ তৃতীয় দিনা আজি পুৰুষৰ জেভলিন থ্ৰোত আশিষ যাদৱে ৰূপৰ পদক জয় কৰি ভাৰতৰ হৈ প্ৰথমটো পদক লাভ কৰে। ১৯ বছৰীয়া খেলুৱৈগৰাকীয়ে ৭৪ দশমিক ০৯ মিটাৰলৈ জেভলিন দলিয়াই দ্বিতীয় স্থানত থাকে। এই প্ৰতিযোগিতাত নিৰজ চোপ্ৰাৰ পাছতেই পদক জয় কৰা আশিষ হৈছে দ্বিতীয়গৰাকী খেলুৱৈ। উল্লেখযোগ্য যে, ২০১৬ চনত প'লেণ্ডত অনুষ্ঠিত বিশ্ব এথলেটিকছ্ ২০ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপত নিৰজ চোপ্ৰাই সোণৰ পদক জয় কৰাৰ লগতে ৮৬ দশমিক ৪-৮ মিটাৰলৈ জেভলিন দলিয়াই বিশ্ব জুনিয়ৰৰ অভিলেষ গঢ়িছিল।

oooo

সমাপ্ত